বহিছোঁ ধৰা টান। গৈছোঁ নে ৰৈছোঁ ধৰা টান।

খিৰিকীয়েদি চালেও কথা একেটাই। বাছ আৰু ৰে'লৰ যাত্ৰাত ঘৰ, পথাৰ, গছ দৌৰে পাছলৈ। ইয়াত ক'তো একো দৌৰা নাই। গতিৰ অনুভৱ নাই। নাভাবিলে একো নাই।

আৰু এটা সময়ত মোৰ এই অনুভৱ হ'লগৈ যে ইয়াত এনেদৰে বহি বহি 'উৰা'তকৈ মাটিত থাকি উৰাৰ কল্পনা কৰা বেছি ভাল।

অগত্যা মই শুই দিলোঁ।

আৰু কল্পনা কৰিবলৈ ল'লোঁ যে মই উৰিছোঁ।

বিমানখনৰ পৰা নামি ইয়াৰ যাত্ৰীবোৰৰ বাবে নিৰ্দিষ্ট তিনি নম্বৰ বেল্টৰ আগত থিয় হ'লোঁ। বেল্টটো নিৰ্ধাৰিত গতিত ঘূৰিছে আৰু তাৰ ওপৰত বেগবোৰ নাচি নাচি আগবাঢ়িছে। মই মোৰ ট্ৰলি বেগটো অহালৈ অপেক্ষা কৰিছোঁ।

হঠাৎ অনুভৱ কৰিলোঁ কান্ধত কাৰোবাৰ হাতৰ স্পৰ্শ। ঘূৰি চালোঁ।

কল্পনা? সেই নাক, সেই চকু, গালৰ মাজত তিল অথচ উগ্ৰ প্ৰসাধন, ডাঠ লিপষ্টিক, চুলিৰ বেলেগ ষ্টাইল, দ্বিধাগ্ৰস্ত মই—(এইবাৰ নামটো সোধাত বাধা কি?)

"জোন বা—"

হাঁ? উচপ খাই উঠিলোঁ মই।

এই কণ্ঠতকৈ আৰু বেলেগ পৰিচয় পত্ৰ মোৰ বাবে কি প্ৰয়োজন? নাম সোধাৰ কি প্ৰয়োজন?

সাবটি ধৰিব খুজিও ৰৈ গ'লোঁ। "বিমানত নিজকে লুকুৱালি কিয়?" —খঙত সুধিলোঁ। অলপ অভিমানো জাগিছিল।

চুলিৰ পৰা ক্লিপ কেইটামান খুলি, চুলিবোৰ পূৰ্বৰ গঢ়লৈ আনি তাই ক'লে—"ইচ্ছাকৃতভাৱে।"

"ইচ্ছাকৃত?"

"তোৰ বিমানৰ টিকেট কৰাৰ পৰা বিমানৰ পৰা নমালৈকে, আনকি ইয়াৰ পাছত যে আমি দুয়ো একেখন হোটেলৰ একেটা কোঠাত নিশাটো কটাম তালৈকে সকলো কাম পূৰ্ব পৰিকল্পিত আৰু ইচ্ছাকৃত।"

আচৰিত হৈ তাইৰ চকুলৈ চালোঁ। কি বস্তু এইজনী?

"চা জোনবা", স্কুলত পঢ়ি থকা কল্পনাজনী হৈ তাই পুনৰ কৈ গ'ল—"আকাশ সম্পৰ্কে তোৰ জিজ্ঞাসাৰ কথা মোৰ অজানা নহয়। উৰণৰ সেই তিনিটা ঘণ্টা তোৰ নিজৰ মতে তোক উদযাপন কৰিবলৈ দিয়া উচিত বুলি মই বিবেচনা কৰিলোঁ। ভাবিলোঁ মোৰ উপস্থিতিয়ে তোৰ মনৰ পৰিভ্ৰমণত বাধা জন্মাব। সেয়েহে বিমানৰ ভিতৰত তোৰ ওপৰত নজৰ ৰখাৰ দায়িত্ব মই মোৰ সহকৰ্মী কণিকাৰ ওপৰত এৰি দিছিলোঁ। তাই যে কিছুমান প্ৰশ্নৰ উত্তৰ দি গৈছিল, আচলতে তোক শুনাবলৈহে সেইবোৰ দিছিল।"

কিবা এষাৰ ক'ম বুলি ভাবিছিলোঁ। পিছে মোৰ মেল খোৱা মুখ মেল খায়ে থাকিল। একো শব্দ নোলাল।

তাইহে কৈ গ'ল—"হোটেলত আমি আৰু এইবোৰ কথা নাপাতোঁ। আজি ৰাতিটো আমি কেৱল স্ফূৰ্তি কৰিম, হাঁহিম, গান গাম। কিন্তু তোক এষাৰ কথা কৈ নথ'লে মই শান্তি নাপাম জোনবা। মোৰ এগৰাকী প্ৰিয় লেখক হ'ল ভিক্টৰ হুগো। তেওঁ কি কৈছিল জাননে? কৈছিল— "There is one spectacle grander than the sea, that is the sky; there is one spectacle grander than the sky, that is the interior of the soul।" চাকৰিৰ এই তিনিটা বছৰৰ অধিকাংশ সময় আকাশতে কটালোঁ। কিন্তু আকাশে মোৰ মনত সেই শান্তি দিব পৰা নাই, যি শান্তি তোৰ অনুভৱে দিব পাৰে। হয় জোনবা, মোৰ বাবে একামাত্ৰ তই, কেৱল তইহে এখন বিশাল আকাশ যি মোৰ মা, দেউতা, অভিভাৱক, আনকি ভগৱান।"

শেষৰ ফালে তাইৰ মাতটো থোকাথুকি হৈছিল।

হয়তো মোৰ চকুৰ পৰা দুটোপাল পানী সৰি পৰিছিল।

ট্ৰলি বেগটো আমাৰ সন্মুখ আহি পাইছিল। বেকগ্ৰাউণ্ডত যেন বাজি উঠিছিল মোৰ প্ৰিয় গীতটিৰ পৰৱৰ্তী এটা কলি—"তথাপি আকাশ আমাৰ নোহোৱা তুমি ..."

বেগটো তুলি ল'ম নে আগতে কল্পনাক সাবটি ল'ম ধৰিব নোৱাৰিলোঁ। কিন্তু এই কথা নিশ্চিতভাৱে ধৰিব পাৰিলোঁ যে মোৰ ভাবনাৰ আকাশখনতকৈও তাইৰ মনৰ আকাশ অধিক বিশাল।

শেষত তাই ক'লে—"তই আকাশতকৈও ৰঙীন, বাইদেউ।"

ঠিকনা ঃ নলবাৰী কলেজ বয়জ হোষ্টেলৰ সমীপত, বিদ্যাপুৰ, নলবাৰী-৭৮১৩৩৫, ফোন ঃ ৮৬৩৮৯৪৫৩৯২


# বছৰেকীয়া গ্ৰাহকসকলৰ প্ৰতি এটি ঘোষণা

প্ৰান্তিকৰ নতুন বছৰেকীয়া গ্ৰাহক হ'বলৈ বা গ্ৰাহক নৱীকৰণৰ বাবে এতিয়াৰপৰা online যোগেও পইচা পঠিয়াব পাৰিব। ইয়াৰ বাবে প্ৰান্তিকৰ HDFC বেংকৰ চানমাৰি শাখাৰ একাউণ্ট নম্বৰ 50200049269502, IFSC–HDFC 0000631 ব্যৱহাৰ কৰি পইচা জমা দিব পাৰিব। পইচা জমা দিয়াৰ লগে লগে আমাক নৱীকৰণৰ বাবে **গ্ৰাহক নম্বৰ** আৰু নতুন গ্ৰাহকৰ ক্ষেত্ৰত পিনক'ডসহ সম্পূৰ্ণ ঠিকনা আমাক e-mail (prantikasomiya@gmail.com) যোগে জনাব লাগিব। স্থানীয়ভাৱে প্ৰান্তিকৰ কাৰ্যালয়তো নগদ ধন বা চেকযোগে বৰঙণি দিব পাৰিব।

বৰঙণিৰ নিৰিখ ঃ **ভাৰতৰ ভিতৰত আৰু বাংলাদেশ, নেপাল আৰু ভূটানৰ বাবে** ঃ এবছৰত **৬৫০** টকা, দুবছৰত **১২০০** টকা, আৰু তিনি বছৰত **১৭৫০** টকা।

**বিদেশৰ বাবে ঃ**

**কানাডা, আমেৰিকা, অষ্ট্ৰেলিয়া আৰু নিউজিলেণ্ড ঃ**

এবছৰৰ বৰঙণি—৬৫০ টকা + ডাক মাচুল—২৬৫০ টকা = **৩৩০০ টকা।**

**ইউৰোপ, এছিয়া আৰু আফ্ৰিকা ঃ**

এবছৰৰ বৰঙণি—৬৫০ টকা + ডাক মাচুল—২১৬০ টকা = **২৮১০ টকা।**

**প্ৰসন্ন শৰ্মা,**
ব্যৱস্থাপক, প্ৰান্তিক